**21-05-2026** প্ৰাতঃমুৰুলী ওঁম্ শান্তি! "বাপদাদা" মধুবন।

**"মৰমৰ সন্তানসকল – শ্ৰীমতত চলি সকলোকে সুখ দিয়া, আসুৰি মতেৰে দুখ দি আহিলা, এতিয়া সুখ দিয়া, সুখ লোৱা"**

প্ৰশ্ন: বুদ্ধিমান সন্তানসকলে কোনটো ৰহস্য বুজি পোৱা বাবে উচ্চ পদ পোৱাৰ পুৰুষাৰ্থ কৰে?

উত্তৰ: তেওঁলোকে বুজি পায় যে এয়া দুখ আৰু সুখ, হৰা আৰু জিকাৰ খেল, এতিয়া আধাকল্প সুখৰ খেল চলিব। তাত কোনো প্ৰকাৰৰ দুখ নাথাকিব। এতিয়া নতুন ৰাজধানী আহিব, তাৰ বাবে পিতাই নিজৰ পৰমধাম এৰি আমাক সন্তানসকলক পঢ়াবলৈ আহিছে, এতিয়া পুৰুষাৰ্থ কৰি উচ্চ পদ ল'বই লাগে।

গীত: বদল জায়ে দুনীয়া ন বদলেংগে হম..... (জগত সলনি হৈ গ'লেও আমি সলনি নহওঁ.....)

ওঁম্ শান্তি। অতি মৰমৰ সন্তানসকলে অৰ্থ বুজিলা। ইয়াত কোনো শপত খোৱাৰ প্ৰয়োজন নাই। এয়াতো আত্মাত বোধশক্তি লাগে। আত্মা তমোপ্ৰধান হোৱা বাবে একেবাৰে বুদ্ধিহীন হৈ গৈছে। সন্তানসকলে জানে – আমি কিমান বুদ্ধিহীন আছিলোঁ। এতিয়া কিমান বুদ্ধিমান হৈছা। অন্য সৎসংগ আদিত এই কথাবোৰ নাথাকে। তেওঁলোকে শাস্ত্ৰ, ৰামায়ণ আদি পঢ়ে। এখন কাণেৰে শুনিলে, আনখন কাণেৰে ওলাই যায়। কোনো প্ৰাপ্তি নাই। যজ্ঞ, তপস্যা, দান-পুণ্য আদি বহুত কৰে, হাবাথুৰি খাই ফুৰে। প্ৰাপ্তি একো নাথাকে। এই জগতত কাৰোৰেই সুখ নাই। এতিয়া পিতাই সকলো বুজনি দিয়ে। সকলোকে সুখ-শান্তি দিওঁতা হৈছে একমাত্ৰ পিতা। মনুষ্যতো একেবাৰে ঘোৰ অন্ধকাৰত আছে। ভক্তিমাৰ্গৰসকলেও স্মৰণ কৰি থাকে – হে দুখ হৰ্তা, সুখ কৰ্তা, সৎগতিদাতা। চোৱা, জগতত কি হৈ আছে। সকলোৱে দুখ ভূগীয়ে থাকে। যিয়েই মনুষ্য মাত্ৰ আছে, কোনেও এইটো গম নাপায় যে পিতা কোন? পিতাৰ পৰা কি উত্তৰাধিকাৰ পোৱা যায়? বেহদৰ পিতাক নাজানেই। শান্তিৰ বাবে হাবাথুৰি খাই ফুৰে। এতিয়া এনেকৈ কোনে ক'লে যে মনৰ শান্তি লাগে? আত্মাই কয়, এয়াও মনুষ্যই নাজানে। দেহ-অভিমান আছে নহয়। সাধু-সন্ত আদি সকলো দুখী, সকলোৱে শান্তি বিচাৰে। বেমাৰ আদিতো সাধু-সন্তৰো হয়। দুৰ্ঘটনা হয়। জগতত দুখৰ বাহিৰে আন একোৱেইতো নাই। এতিয়া তোমালোক বুদ্ধিমান হৈছা। পিতাই বুজাইছে – ড্ৰামাৰ ভিতৰত নতুন জগত আৰু পুৰণি জগত, সুখ আৰু দুখৰ খেল ৰচি থোৱা আছে। পিতাই তোমালোকৰ বুদ্ধিৰ তলা খুলিছে আৰু সকলো মনুষ্য মাত্ৰৰেই গড্ৰেজৰ তলা লাগি আছে, বুদ্ধি একেবাৰে তমোপ্ৰধান। তোমালোক সন্তানসকলে পুৰুষাৰ্থৰ ক্ৰমানুসৰি জানা। যথাযথ বেহদৰ পিতাক পাইছোঁ, তেওঁ আমাক সৃষ্টিৰ আদি-মধ্য-অন্তৰ ৰহস্য শুনায় যে এয়া খেল কেনেকৈ ৰচি থোৱা আছে। যেতিয়া সুখ থাকে তেতিয়া দুখৰ নাম নাথাকে। তোমালোক সন্তানসকলৰ বুদ্ধিত আছে যে আমি পিতাৰ পৰা সুখ-শান্তি-সম্পত্তিৰ উত্তৰাধিকাৰ লৈ আছোঁ। সত্যযুগৰ পৰা ত্ৰেতাৰ অন্তলৈকে দুখ নাথাকে। এতিয়া তোমালোক আলোকত আছা। তোমালোকে পুৰুষাৰ্থ কৰি আছা – নিজৰ ৰাজধানীত এজনে আনজনতকৈ যাতে উচ্চ পদ পাওঁ। এয়া হ'ল বেহদৰ স্কুল। বেহদৰ পিতাই পঢ়ায়। তোমালোকে জানিছা – তেওঁ আমাৰ আটাইতকৈ মৰমৰ পিতা, যাৰ মহিমা অপৰমঅপাৰ। সেইজন উচ্চতকৈও উচ্চ পিতাই শ্ৰীমত দিয়ে। বাকী সকলো মনুষ্য মাত্ৰেই আসুৰি মতত এজনে আনজনক দুখহে দিয়ে। তোমালোকে শ্ৰীমতত সকলোকে সুখ দিব লাগে। এই ড্ৰামাত আমি ভাৰৰীয়া, এইটো কোনেও নাজানে। তোমালোক সন্তানসকলে এতিয়া বুজি পোৱা, এই ড্ৰামাত ভাৰতবাসীৰে আদিৰ পৰা অন্তলৈকে ভূমিকা আছে। আগতেতো তোমালোকে একোৱেই জনা নাছিলা। এতিয়াতো মূললোকৰ পৰা সূক্ষ্মলোক, স্থূললোক সকলো বিষয়ে জানি গৈছা। তোমালোকৰ সত্য জ্ঞান আছে। পৰমপিতা পৰমাত্মাই আমাক এওঁৰ দ্বাৰা পঢ়াই আছে। বাবাই আমাক ত্ৰিলোকৰ সকলো জ্ঞান দি আছে। এয়া হয়েই কাঁইটৰ জংঘল। সন্তানসকলে জানে – এতিয়া আমি কাঁইটৰ পৰা ফুল অৰ্থাৎ মনুষ্যৰ পৰা দেৱতা হওঁ। ইয়াততো সৰু-ডাঙৰ সকলোৱে দুখ দিয়ে। গৰ্ভত মাতৃক সন্তানে দুখ দিয়ে। এইখন বহুতেই ছিঃ ছিঃ পুৰণি জগত। এই সৃষ্টি চক্ৰক কোনেও নাজানে। আমি ক'ৰপৰা আহিছোঁ, কিমান জন্ম লৈছোঁ, পুনৰ ক'লৈ যাব লাগে?... একোৱেই নাজানে, বেহদৰ পিতা অৰ্থাৎ সকলো সীতাৰ এজন ৰাম, তেওঁ নিৰাকাৰ। তোমালোক সকলো হৈছা সীতা। পিতা হ'ল দৰা। এজন প্ৰেমিকৰ সকলো প্ৰেমিকা, ভক্ত। যিসকল সীতা আছে, সকলো ৰাৱণৰ কাৰাগাৰত বন্দী হৈ শোকৰ বাগিচাত আহি গৈছে। গোটেই জগতৰ সকলো মনুষ্য মাত্ৰেই এজন ভগৱানক স্মৰণ কৰে। ভক্তৰ ৰক্ষক বুলি ভগৱানক কয়। তোমালোক সকলো এতিয়া ব্ৰহ্মা মুখ বংশাৱলী ব্ৰাহ্মণ। ব্ৰাহ্মণসকলে জানে – আমাক শিৱবাবাই পঢ়াই আছে। বাবাৰ পৰা উত্তৰাধিকাৰ নিশ্চয় পোৱা যায়। শিৱবাবা হ'ল স্বৰ্গৰ ৰচয়িতা। স্বৰ্গ বুলি কোৱা বা দৈৱী ৰাজধানী বুলি কোৱা – এয়া স্বৰ্গৰ ৰাজধানী নহয় জানো। লক্ষ্মী-নাৰায়ণ স্বৰ্গৰ মালিক। এয়াও এতিয়া তোমালোকে বুজি পোৱা। ইয়াত যেতিয়া সত্যযুগ আছিল তেতিয়া লক্ষ্মী-নাৰায়ণৰ ৰাজ্য আছিল। এতিয়া হ'ল কলিযুগ। মনুষ্যইতো বেচেৰাহঁত অন্ধকাৰত থকা বাবে একো নাজানে যে এতিয়া কলিযুগৰ অন্ত। বিনাশ সমাগত। তোমালোক সকলো সীতাৰ

সৎগতিদাতা হৈছে একমাত্ৰ ৰাম। সীতাসকল সকলো দুৰ্গতিত আছে, কিন্তু এনেকৈ জানো কোনোবাই বুজে যে আমি দুৰ্গতিত আছোঁ। নিজৰ চহকীবোধৰহে নিচা আছে। আমাৰ ইমান ঘৰ আছে, ইমান ধন আছে, ইমান মহল আছে, কোনেও গম নাপায় যে এয়া দুখৰ সৃষ্টি এতিয়া পৰিৱৰ্তন হ'ব। মৃত্যু সমাগত। সকলো মাটিত মিলি যাব। এয়া যি কিছু পুৰণি জগতত দেখিছা, বিনাশ হৈ যাব। বিনাশৰ বাবে সম্পূৰ্ণ প্ৰস্তুতি চলি আছে। এয়া সেয়াই মহাভাৰতৰ যুদ্ধ। সেইজনেই গীতাৰ ভগৱান। কিন্তু পিতাৰ জীৱন বৃত্তান্তত সন্তানৰ নাম দি দিছে। এতিয়া শিৱবাবাই তোমালোকক ৰাজযোগ শিকাই আছে। আটাইতকৈ ভীষণ ভুল এয়াই যে ভগৱানৰ নাম নোহোৱা কৰি দিলে।

তোমালোক সন্তানসকলে জানা, আমাক কোনো মনুষ্য, সাধু-সন্ত আদিয়ে নপঢ়ায়, শিৱবাবাই আমাক পঢ়ায়। তেওঁ পিতাও হয়, শিক্ষকো হয়, সৎগুৰুও হয়। সকলো হয়। এইটোতো পাহৰা অনুচিত। পিতাই কয় – সকলো মোৰ সন্তান কিন্তু সকলোকে জানো পঢ়াম। পিতাই কয় – মই ভাৰতবাসীক পুনৰ ৰাজযোগ শিকাবলৈ আহিছোঁ। ভাৰতবাসী স্বৰ্গবাসী আছিল, হীৰা সদৃশ আছিল, এতিয়া কড়ি সদৃশ হৈ গৈছে। ঘৰত কিমান অশান্তি। সন্তানসকলে কয় – বাবা আমাৰ ক্ৰোধ আহে, সন্তানসকলক মাৰিবলগীয়া হয়। ভয় লাগে, আমি 5 বিকাৰ শিৱবাবাক দান দি দিলোঁ আকৌ আমি এয়া কিয় কৰোঁ? পিতাই বুজায় – এই সময়ত সকলোৰে ওপৰত 5 বিকাৰৰ গ্ৰহণ লাগি আছে। দেহ-অভিমানৰ ভূত আহিলে তেতিয়া আন সকলো ভূত লাগি যায়। এতিয়া পিতাই কয় – দেহী-অভিমানী হোৱা। এতিয়া তোমালোকে বোধশক্তি পাইছা। সত্যযুগতো আমি আত্মা-অভিমানী আছিলোঁ। বুজি পায় – আত্মাৰ এই শৰীৰ এতিয়া পুৰণা হৈছে। আয়ুস পূৰা হৈছে সেইবাবে এই শৰীৰ ত্যাগ কৰি নতুন ল'ব লাগে। (সাপৰ দৃষ্টান্ত) সাপৰ যেতিয়া এখন ছাল পুৰণা হয় তেতিয়া আকৌ অন্য নতুন এখন লৈ লয়। এইটো দৃষ্টান্ত হৈছে সত্যযুগৰ বাবে। তাত তোমালোকে এনেকৈ শৰীৰ ত্যাগ কৰা, দুখৰ কোনো কথাই নাথাকে। ইয়াত কিমান দুখ হয়। কন্দা-কটা আদি কৰে। এতিয়া তোমালোক সন্তানসকলে জানা – এয়া পুৰণি শৰীৰ। ইয়াত কোনেও নতুন ছাল (শৰীৰ) নাপায়। এয়া অন্তিম পুৰণি শৰীৰ। এতিয়া তোমালোক সেই শৰীৰক লৈ অশান্ত হৈ গৈছা। তাততো আনন্দৰে এটা শৰীৰ ত্যাগ কৰি অন্য এটা লয়। এই কথাবোৰো তোমালোকে বুজি পোৱা। ইয়ালৈ কিমান নতুন আহে, বুজি পায় জানো। দুই-চাৰি দিন ইয়াত বুজি যায়, আকৌ পাহৰি যায়। অৱশ্যে হয়, যদি ভালদৰে শুনিলে, আনন্দিত হ'ল তেন্তে প্ৰজাত আহি যাব। প্ৰজাওতো অনেক হ'ব নহয়। এয়া হ'ল ঈশ্বৰৰ দ্বাৰ অথবা ঘৰ। তোমালোক ঈশ্বৰৰ ঘৰত বহি আছা। পৰমপিতাই নিজৰ পৰমধাম এৰি ইয়ালৈ সাধাৰণ শৰীৰত আহি বহি আছে। তাততো পিতাৰ ওচৰত আত্মাসকল থাকে। ইয়াত সংগমত বাবা নিজে আহিছে – পতিতসকলক পাৱন কৰি তুলিবলৈ। তেওঁক শিৱ নিৰাকাৰ বুলিয়ে কয়। নিৰাকাৰ বাবাক আত্মাসকলে "হে ঈশ্বৰ পিতা" বুলি কৈ কাকূতি কৰে। মনুষ্যই নুবুজাকৈ কৈ দিয়ে – হে ঈশ্বৰ পিতা। এই লক্ষ্মী-নাৰায়ণকো ইউৰোপিয়ানসকলে ভগৱান-ভগৱতী বুলি কয়। এওঁলোকক এনেকুৱাকৈ কোনে গঢ়িলে? এই দেৱতাসকলক কয় – আপোনালোক সৰ্বগুণসম্পন্ন, 16 কলা সম্পূৰ্ণ আকৌ নিজক কি বুলি কয়? এইটো নাজানে যে এওঁলোকো মনুষ্য। ভাৰততে ৰাজত্ব কৰি গৈছে। তেওঁলোকৰ আগত গৈ মহিমা গায়। নিজক নীচ পাপী বুলি কয়। কৃষ্ণৰ মন্দিৰতো গৈ মহিমা কৰিব। শিৱৰ এনেকৈ মহিমা নকৰে। তেওঁৰ মহিমা বেলেগ। সাধাৰণতে শিৱৰ ওচৰলৈ গ'লে তেতিয়া কয় – আঁচল ভৰাই দিয়া। আকৌ কৈ দিয়ে ভাঙুৱা, ধতুৰা খাওঁতা। হেৰ' তাত ভাং-ধতুৰা ক'ৰপৰা আহিল? অলপো বোধশক্তি নাই। ভিক্ষা কৰি থাকে – স্বামী লাগে, এইটো লাগে... দীপাৱলীত লক্ষ্মীক আহ্বান জনায়। তেওঁ কোন, এইটো কোনেও গম নাপায়। 8-10খন ভুজা কেতিয়াবা থাকে জানো? এয়া চতুৰ্ভুজৰ ৰূপ দেখুৱায়, কিয়নো প্ৰবৃত্তি মাৰ্গ হয়। লক্ষ্মী-নাৰায়ণতো সত্যযুগত থাকে। মনুষ্যই এইটো নাজানে যে বিষ্ণুৰ দুটা ৰূপ লক্ষ্মী-নাৰায়ণৰ দ্বাৰা প্ৰতিপালন হয়। চিত্ৰত লক্ষ্মীক 4 খন ভুজা দি দিয়ে। 4 খন ভুজাধাৰীৰ সন্তান জন্ম হ'লে তেতিয়া তেওঁলোকৰো 4 খন ভুজা হোৱা উচিত। একোৱেই বুজি নাপায়। তোমালোকে এতিয়া বুজি পোৱা – বাবা যেতিয়ালৈ অহা নাছিল তেতিয়া আমিও একো জনা নাছিলোঁ। এতিয়া গোটেই বিশ্বৰ আদি-মধ্য অন্তক জানি গৈছোঁ। পিতা আহি পতিত জগতক পাৱন কৰি তোলে। এনেকৈ আহ্বানো জনায় – হে পতিত-পাৱন আহক। এতিয়া পৰমাত্মা কেনেকৈ আহিব? কেনেকৈ আহি পতিতসকলক পাৱন কৰিব? পিতাই কয় – 5 হাজাৰ বছৰ পূৰ্বে আমি দৈৱী স্বৰাজ্য স্থাপন কৰিছিলোঁ, পুনৰ তোমালোকে 84 জন্ম কেনেকৈ ল'লা? এইখিনি বোধ আগতে তোমালোকৰ বুদ্ধিত একেবাৰে নাছিল। এই ব্ৰহ্মায়ো গম পোৱা নাছিল। ৰাধা-কৃষ্ণ, লক্ষ্মী-নাৰায়ণৰ পূজা কৰিছিল। কিন্তু এইটোও নাজানিছিল যে ৰাধা-কৃষ্ণই সয়ম্বৰৰ পাছত লক্ষ্মী-নাৰায়ণ হৈছে, সেইবাবে ৰাজকুমাৰী ৰাধা, ৰাজকুমাৰক কৃষ্ণ বুলি কোৱা হয়। সয়ম্বৰৰ পাছত মহাৰজা-মহাৰাণী হয়। এয়া যি নিজে হ'বলৈ গৈ আছে, সেইটো তেৱোঁ নাজানিছিল। হয়তো কাৰোবাৰ সাক্ষাৎকাৰো হয় কিন্তু একোৱে বুজি নাপায়। তথাপিও ভক্তসকলৰ ভাৱনা অল্পকালৰ বাবে পূৰ্ণ কৰিবলৈ মই সাক্ষাৎকাৰ কৰাওঁ। ইয়াততো ধ্যান-সাক্ষাৎকাৰৰ কথাই নাই। পিতাইতো বুজায় – সাক্ষাৎকাৰত মায়াই প্ৰৱেশ কৰিলে তেতিয়া তোমালোক পদভ্ৰষ্ট হৈ যাবা। বহুতে আহি কয় – আমাৰ যাতে শিৱবাবাৰ সাক্ষাৎকাৰ হয়। হেৰ' তোমালোকক বুজোৱা হয় – জোনাকী পৰুৱা কিমান সূক্ষ্ম, চকুৰে দেখা

যায়। আত্মাতো তাতকৈও সূক্ষ্ম বিন্দু। যেনেকুৱা আত্মা তেনেকুৱাই পৰমাত্মাৰ ৰূপ। সাক্ষাৎকাৰো যদি হয় তেন্তে সেই সূক্ষ্ম বিন্দুৰে হ'ব। এয়াতো সূক্ষ্ম বিন্দু যি ভ্ৰুকুটিৰ মাজত থাকে। আত্মাৰ সাক্ষাৎকাৰ হ'লেও একো নুবুজিব।

এতিয়া তোমালোক সন্তানসকলে জানা – এতিয়া আমি শিৱবাবাৰ সন্তান। সকলো ব্ৰহ্মাকুমাৰ-কুমাৰীয়ে শিৱবাবাৰ পৰা উত্তৰাধিকাৰ লৈ আছে। আমাৰ লক্ষ্য-উদ্দেশ্যই হৈছে এইটো। বিদ্যাৰ্থী হয় নহয়। তোমালোকে কোৱা – পিতাৰ পৰা সহজ ৰাজযোগ শিকিবলৈ আহিছোঁ। এইটো লক্ষ্য-উদ্দেশ্য। এইটো সন্তানসকলে পাহৰিব নালাগে। ভক্তিমাৰ্গত ভক্তসকলে দেৱতাসকলৰ চিত্ৰ লগত ৰাখে। তোমালোকে আকৌ এই ত্ৰিমূৰ্তিৰ চিত্ৰ জেপত ৰখা উচিত। এই শিৱবাবাৰ দ্বাৰা আমি এয়া লক্ষ্মী-নাৰায়ণ হৈ আছোঁ। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই লগ পোৱা সন্তানসকলৰ সৈতে মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) শিৱবাবাক বিকাৰ দান দি পুনৰ কেতিয়াও ওভটাই ল'ব নালাগে। দেহ-অভিমানৰ ভূতৰ পৰা পৰিত্ৰাণ পাব লাগে। এই ভূতৰ পৰা সকলো ভূত আহি যায় সেইবাবে আত্মা-অভিমানী হোৱাৰ অভ্যাস কৰিব লাগে।

(2) ধ্যান সাক্ষাৎকাৰৰ আশা ৰাখিব নালাগে। লক্ষ্য-উদ্দেশ্য সন্মুখত ৰাখি পুৰুষাৰ্থ কৰিব লাগে। শ্ৰীমতত সকলোকে সুখ দিব লাগে।

বৰদান:

কৰাৱনহাৰৰ স্মৃতিৰে সেৱাত সদায় নিৰ্মাণৰ কাৰ্য কৰোঁতা কৰ্মযোগী হোৱা

যিকোনো কৰ্ম, কৰ্মযোগী স্থিতিলৈ পৰিৱৰ্তন কৰা, কেৱল কৰ্ম কৰোঁতা নহয় কিন্তু কৰ্মযোগী। কৰ্ম অৰ্থাৎ ব্যৱহাৰ আৰু যোগ অৰ্থাৎ পৰমাৰ্থ (আধ্যাত্মিকতা) দুয়োটাৰ সন্তুলন থাকক। শৰীৰ নিৰ্বাহৰ পাছত আত্মাৰ নিৰ্বাহ যাতে পাহৰি নোযোৱা। যিয়েই কৰ্ম কৰা সেয়া ঈশ্বৰীয় সেৱাৰ অৰ্থে হওক। ইয়াৰ বাবে সেৱাত 'নিমিত্ত মাত্ৰ'ৰ মন্ত্ৰ বা 'কৰণহাৰৰ স্মৃতি'ৰ সংকল্প সদায় যাতে স্মৃতিত থাকে। কৰাৱনহাৰক নাপাহৰিলে তেতিয়া সেৱাত নিৰ্মাণেই নিৰ্মাণ কৰি থাকিবা।

শ্লোগান: সেৱা বা সম্বন্ধ-সম্পৰ্কত বিঘিনি অহাৰ কাৰণ হৈছে পুৰণা সংস্কাৰ, সেই সংস্কাৰবোৰৰ প্ৰতি বৈৰাগ্য জন্মিব লাগে।

!! ওঁম্ শান্তি !!

অব্যক্ত ইংগিত: সদায় অচল, অটল আৰু একৰস স্থিতিৰ অনুভৱ কৰা

সকলোতকৈ শ্ৰেষ্ঠ আসন হ'ল বাপদাদাৰ অন্তৰ আসনত অধিষ্ঠিত হোৱা। কিন্তু এই আসনত বহিবলৈ হ'লে প্ৰথমে অচল, অটল আৰু একৰস স্থিতিৰ আসনৰ প্ৰয়োজন। একৰস স্থিতিৰ আসনত তেতিয়াহে স্থিৰ হৈ থাকিব পাৰিবা যেতিয়া অকাল আসনত অধিষ্ঠিত হোৱাৰ অভ্যাস থাকিব। যেনেকৈ তপস্বীসকলে সদায় নিজৰ আসনত স্থিৰ হৈ বহে, তেনেকৈ তোমালোকেও নিজৰ একৰস আত্মাৰ স্থিতিৰূপী আসনত বিৰাজমান হৈ থাকা। এই আসন নেৰিবা, তেতিয়াহে সিংহাসন পাবা।

[বি:দ্ৰ: - প্ৰজাপিতা ব্ৰহ্মাকুমাৰী ঈশ্বৰীয় বিশ্ব বিদ্যালয়ৰ নিয়মীয়া বিদ্যাৰ্থীসকলৰ বাবে]